# Dr. Abdullah Abdullah, Chairman, High Council for National Reconciliation of Afghanistan meets Prime Minister

October 08, 2020

---

# আফগানিস্তানৰ ৰাষ্ট্ৰীয় পুনৰ্মিলন সংক্ৰান্তীয় উচ্চ পৰিষদৰ অধ্যক্ষ ড০ আব্দুল্লা আব্দুল্লাৰ প্ৰধানমন্ত্ৰীক সাক্ষাত

অক্টোবৰ 08, 2020

আফগানিস্তানৰ ৰাষ্ট্ৰীয় পুনৰ্মিলন সংক্ৰান্তীয় উচ্চ পৰিষদৰ অধ্যক্ষ ড০ আব্দুল্লা আব্দুল্লাই আজি ৰাতিপুৱা (অক্টোবৰ ৪) প্ৰধানমন্ত্ৰীক সাক্ষাত কৰে। চৰকাৰৰ চুবুৰীয়া প্ৰথম নীতিক সাৰোগত কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু আফগানিস্তানৰ মাজত থকা ঐতিহাসিক সম্পৰ্কক আৰু দৃঢ় কৰাৰ দীৰ্ঘম্যাদী প্ৰতিশ্ৰুতিৰ কথা পুনৰ ব্যক্ত কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক আৰু আঞ্চলিক স্বাৰ্থৰ বিষয়বোৰৰ সন্দৰ্ভত আলোচনা কৰে। ড০ আব্দুল্লা আব্দুল্লাই আফগানিস্তানৰ শান্তি প্ৰক্ৰিয়া আৰু দোহাত বৰ্তমান চলি থকা আলোচনাৰ বিষয়ে চমু ব্যাখ্যা দাঙি ধৰে।

আফগানিস্তানৰ সৈতে ভাৰতৰ উন্নয়ন সহয়োগিতা সহ দ্বিপাক্ষিক বিষয়বোৰৰ সন্দৰ্ভত আলোচনা কৰে।

ড০ আব্দুল্লা আব্দুল্লাই ভাৰতে উন্নয়নমূলক সহযোগিতাৰ বাবে আগবঢ়োৱা 3 বিলিয়ন মাৰ্কিন ডলাৰ বাবে প্ৰশংসা কৰে আৰু এই সহযোগিতাৰ অধীনৰ প্ৰকল্পসমূহৰ পৰা আফগানিস্তানৰ 34 খন প্ৰদেশ উপকৃত হৈছে।

প্ৰধানমন্ত্ৰীয়ে আফগানিস্তানত বহনক্ষম শান্তি আৰু সমৃদ্ধিৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতি পুনৰাই ব্যক্ত কৰে আৰু আফগানিস্তানত এক বিস্তৃত আৰু স্থায়ী যুদ্ধ বিৰতিৰ প্ৰচেষ্টাক আদৰণি জনাই।

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা শ্ৰী অজিত ডোভালে 7 অক্টোবৰত ড০ আব্দুল্লা আব্দুল্লাক সাক্ষাত কৰে আৰু আফগানিস্তানত বৃদ্ধি পোৱা হিংসাত্মক ঘটনাৱলীৰ লগতে অঞ্চলটোত শান্তি আৰু সুৰক্ষা সহ আফগানিস্তান শান্তি প্ৰক্ৰিয়া আৰু সম্পৰ্কীয় বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে অহা কালি অৰ্থাত্ 9 অক্টোবৰ 2020 তাৰিখে ড০ আব্দুল্লা আব্দুল্লাক সাক্ষাত কৰিব।

**নতুন দিল্লী**
**অক্টোবৰ 08, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.